

মৰিয়নি মহাবিদ্যালয়ত উদাহ-মাদহেৰে সম্পন্ন স্বাধীনতা দিৱসৰ কাৰ্যসূচী

**মৰিয়নি মহাবিদ্যালয়ত ৭৭ তম স্বাধীনতা দিৱস উদ্‌যাপন**

**প্ৰতিবেদকঃ মৰিয়নি ঃ** মৰিয়নি মহাবিদ্যালয়ৰ বাকৰিত দেশৰ ৭৭ তম স্বাধীনতা দিৱস উপলক্ষে ভাৰত চৰকাৰৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ নতুন কাৰ্যসূচী 'মেৰি মাটি মেৰা দেশ' অভিযানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত আৰু আই কিউ এ চি-ৰ সহযোগত দিনজোৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যবাহী বিষয়া কৃতিকা আগৰৱালাই আঁত ধৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাই আদৰণি ভাষণ প্ৰদান কৰি সাৰুৱা বক্তব্য দাঙি ধৰে। দেশ আৰু মাতৃভূমিক সেৱা জনাই 'পঞ্চ প্ৰাণ'ক সাৱোগত কৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্য আৰু ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে ৫০ গছি বন্তি লৈ সংকল্প লোৱাৰ লগতে মহাবিদ্যালয়ৰ প্ৰাংগণত ২৪ টা গছপুলি ৰোপণ কৰা হয়। এই 'মেৰি মাটি মেৰা দেশ' কাৰ্যসূচীৰ লগত সংগতি ৰাখি স্বাধীনতা দিৱসৰ দিনা পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাৰ তত্ত্বাৱধানত ২০২৩ বৰ্ষৰ স্বাধীনতা দিৱসৰ মূল বিষয় 'Nation first, always first'ক সঁহাৰি জনাই একাধিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ অধ্যাপক ৰূপেশ্বৰ সোনোৱালে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। অনুষ্ঠানত অধ্যক্ষ ড° হৰেন গোৱালাৰ উপৰি কেইবাগৰাকী অধ্যাপক-অধ্যাপিকাই বক্তব্য প্ৰদান কৰে। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমূহ সদস্যই স্বাধীনতা আন্দোলনৰ মৰিয়নি অঞ্চলৰ দুগৰাকী মুক্তি যুঁজাৰু ক্ৰমে স্বৰ্গীয় ভুবনমোহন বুঢ়াগোহাঁই আৰু স্বৰ্গীয় বিনন্দ চন্দ্ৰ বৰাৰ পৰিয়ালবৰ্গক তেওঁলোকৰ ত্যাগৰ প্ৰতি সম্মান জনাই সম্বৰ্ধনা জনায়। এই সমগ্ৰ কাৰ্যসূচীত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱক, NCC কেডেট, মহাবিদ্যালয়ৰ শৈক্ষিক উপাধ্যক্ষ (কলা শাখা) মিনতি বৰঠাকুৰ, শৈক্ষিক উপাধ্যক্ষ (বাণিজ্য শাখা) ৰঞ্জন দত্ত, NCC ৰ CPO প্ৰবোধ গগৈ, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যবাহী বিষয়া কৃতিকা আগৰৱালাকে ধৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দ উপস্থিত থাকে। ইয়াৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিজন সদস্যই 'হৰ ঘৰ ত্ৰিৰংগা'-ৰ প্ৰতি সঁহাৰি জনাই ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাই দেশমাতৃৰ প্ৰতি সেৱা জনায়।

**मरियानी :** मरियानी महाविद्यालय में स्वतंत्रता दिवस के अवसर पर 'मेरी माटी मेरा देश' अभियान के साथ मनाया गया। राष्ट्रीय सेवा योजना इकाई के सौजन्य से कार्यवाही अधिकारी कृतिका अग्रवाल द्वारा संचालित कार्यक्रम में महाविद्यालय के अध्यक्ष डॉ. हरेन ग्वाला ने स्वागत भाषण दिया। 24 पौधे लगाए गए। अध्यक्ष ने झंडा फहराया। मरियानी क्षेत्र के दो स्वतंत्रता सेनानी क्रमशः दिवंगत भुवन मोहन बूढ़ागोहाईं और दिवंगत विनन्द चंद्र बोरा के परिजन को उनके त्याग के प्रति सम्मान प्रदर्शन कर सम्मानित कि गया।






**উজনিৰ বিভিন্ন অঞ্চলত স্বাধীনতা দিৱস পালন**

ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি সকলোকে মোহিত কৰে। আনহাতে, মৰিয়নি মহাবিদ্যালয়ৰ বাকৰিত স্বাধীনতা দিৱস উপলক্ষে ভাৰত চৰকাৰৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ নতুন কাৰ্যসূচী 'মেৰী মাটি মেৰা দেশ' অভিযানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত আৰু আই কিউ এ চি-ৰ সহযোগত দিনজোৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যবাহী বিষয়া কৃতিকা আগৰৱালাই আঁত ধৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাই আদৰণী ভাষণ আগবঢ়ায়। 'পঞ্চ প্ৰাণ' ক সাৱোগত কৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্য আৰু ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে ৫০ গছি বন্তি লৈ সংকল্প লোৱাৰ লগতে মহাবিদ্যালয়ৰ প্ৰাংগণত ২৪টা গছপুলি ৰোপণ কৰা হয়। স্বাধীনতা দিৱসৰ দিনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাৰ তত্ত্বাৱধানত ২০২৩ বৰ্ষৰ স্বাধীনতা দিৱসৰ মূল বিষয় 'Nation first, always first'ক সঁহাৰি জনাই একাধিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ অধ্যাপক ৰূপেশ্বৰ সোণোৱালে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমূহ সদস্যই স্বাধীনতা আন্দোলনৰ মৰিয়নি অঞ্চলৰ দুগৰাকী মুক্তি যুঁজাৰু ক্ৰমে স্বৰ্গীয় ভুৱনমোহন বুঢ়াগোহাঁই আৰু স্বৰ্গীয় বিনন্দ চন্দ্ৰ বৰাৰ পৰিয়ালবৰ্গক সম্বৰ্ধনা জনায়। এই সমগ্ৰ কাৰ্যসূচীত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱক, NCC কেডেট, মহাবিদ্যালয়ৰ শৈক্ষিক উপাধ্যক্ষ (কলা শাখা) মিনতি বৰঠাকুৰ, শৈক্ষিক উপাধ্যক্ষ (বাণিজ্য শাখা) ৰঞ্জন দত্ত, NCC ৰ CPO প্ৰবোধ গগৈ, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যবাহী বিষয়া কৃতিকা আগৰৱালাকে ধৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দ উপস্থিত থাকে। ■ নামনি মাজুলী ঃ নিজা প্ৰতিবেদক ঃ মাজুলী

**15th August Independence Day Celebration**